# বহুসংস্কৃতিবাদ আৰু সহনশীলতাৰ বিষয়সমূহ
## [ISSUES OF MULTICULTURALISM AND TOLERATION]

ওপৰৰ আলোচনাত আমি বহুত্ববাদী সমাজ এখনত কিদৰে সমন্বয় ৰক্ষা কৰিব পাৰি, সেই বিষয়ে আলোচনা আগবঢ়াইছো। মন কৰিবলগীয়া যে এই বহুত্ববাদী সমাজত সমন্বয় ৰক্ষা কৰাত সহনশীলতাৰ (Toleration)এক গুৰুত্বপূৰ্ণ অৱদান আছে। এতিয়া আমি বহুল সংস্কৃতিবাদ আৰু সহনশীলতাৰ বিভিন্ন দিশসমূহৰ বিষয়ে আলোচনা আগবঢ়াম। উল্লেখ কৰা প্ৰয়োজন যে বহুসংস্কৃতিবাদ আৰু সহনশীলতাৰ মাজত এক জটিল সম্পৰ্ক আছে আৰু সেয়েহে এই সম্পৰ্কৰ ব্যাখ্যা আগবঢ়োৱাৰ আগতে বহুসংস্কৃতিবাদৰ বিষয়ে আলোচনা আগবঢ়োৱা দৰকাৰ।

**বহুসংস্কৃতিবাদ ঃ ধাৰণা আৰু সংজ্ঞা** (Multiculturalism – Concept and Definitions) **ঃ** বহুসংস্কৃতিবাদ ৰাজনীতি বিজ্ঞান অধ্যয়নত এটা অন্যতম ধাৰণা হিচাপে পৰিগণিত হৈছে। 1970 দশকৰ প্ৰথমাৰ্ধত কানাডা, অষ্ট্ৰেলিয়া, ইউৰোপত চৰ্চা লাভ কৰা এই ধাৰণাই নতুন আন্দোলনৰ সূচনা কৰিছে। বহুসংস্কতিবাদ হৈছে এটা আদৰ্শ যিয়ে ধৰ্মীয়, জাতিগত, জনগোষ্ঠীয়, সাংস্কৃতিক ইত্যাদি বৈচিত্ৰ্যতাক মান্যতা প্ৰদান কৰে। এই আদৰ্শ আত্মসন্মান, সহনশীলতা, আনৰ প্ৰতি শ্ৰদ্ধা, মূল্যবোধ আদি বৈশিষ্ট্যৰ ওপৰত প্ৰতিষ্ঠিত। এই ধাৰণাই সমাজ এখনৰ বৈচিত্ৰ্যতাক সুৰক্ষা প্ৰদান কৰে।

বহুসংস্কৃতিবাদৰ সংজ্ঞা The Standard Dictionary of Philosophyত বৰ্ণনা কৰা মতে, "Multiculturalism is a body of thought in political philosophy about the proper way to respond to cultural and religious diversity" অৰ্থাৎ বহুসংস্কৃতিবাদ হৈছে এক ৰাজনৈতিক দৰ্শন যাৰ জৰিয়তে সাংস্কৃতিক আৰু ধৰ্মীয় বিভিন্নতাক যথাযথভাৱে আগবঢ়াই লৈ যাব পাৰি। জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ৰ অধ্যাপক Gurpreet Mahajan-এ তেওঁৰ গ্ৰন্থত *The Multicultural Path : Issues of Diversity and Discrimination* উল্লেখ কৰা মতে, 'Multiculturalism is not just an assertion of tolerance; nor is it, for that matter, a celebration of eclecticism of tastes. Multiculturalism speaks of equality of cultures and argues that in a democracy, all cultural communities must be certified to equal status in public domain'. অৰ্থাৎ বহুসংস্কৃতিবাদ কেৱল মাত্ৰ সহনশীলতাকেই নুবুজায়, বহুসংস্কৃতিবাদে সংস্কৃতিৰ সমতাৰ ওপৰত বিশ্বাস কৰে আৰু গণতান্ত্ৰিক ব্যৱস্থাত সকলো সম্প্ৰদায়কে সমমৰ্যাদা দিয়াৰ মত পোষণ কৰে। চৰকাৰৰ এটা সমন্বয়সূচক আঁচনি হিচাপে বহুসংস্কৃতিবাদৰ ধাৰণা ইউৰোপৰ বিভিন্ন দেশত আৰম্ভ হয়। ইউৰোপৰ দেশসমূহৰ বাবে বহুসংস্কতিবাদ আছিল অনা-ইউৰোপীয় (Non-European) আৰু সংখ্যালঘুসকলক আঁকোৱালি লোৱাৰ এক আদৰ্শ। উল্লেখযোগ্য যে বিংশ শতিকাৰ সত্তৰৰ দশকৰ প্ৰথমাৰ্ধত অধ্যাপক বিকু পাৰেখে উল্লেখ কৰাৰ দৰে ইংলেণ্ড, জাৰ্মানী, আমেৰিকা, কানাডা, অষ্ট্ৰেলিয়া আদি দেশত বহুসংস্কৃতিবাদৰ সূচনা হয়। পৰৱৰ্তী সময়ত বহুসংস্কৃতিবাদৰ এই ভাৱধাৰা ইউৰোপৰ আন আন দেশসমূহলৈও সম্প্ৰসাৰিত হয় আৰু ই এক সামাজিক আন্দোলনৰ পাতনি মেলে। বহুসংস্কৃতিবাদৰ এক সুসংঘবদ্ধ আৰু বৈজ্ঞানিক আলোচনা কানাডা, অষ্ট্ৰেলিয়া, আমেৰিকা, ইংলেণ্ড আদি দেশত আৰম্ভ হয়। এই অধ্যয়নৰ ক্ষেত্ৰত Will Kymlicka, Biku Parekh আদিৰ নাম উল্লেখযোগ্য। ভাৰতবৰ্ষতো এনে এক বৈজ্ঞানিক আলোচনা Gurpreet Mahajan, Rajib Bhargava আদিৰ লিখনিত পোৱা যায়।

কানাডাৰ বিখ্যাত ৰাজনৈতিক দাৰ্শনিক অধ্যাপক Will Kymlicka ই তেওঁৰ বিখ্যাত গ্ৰন্থ "Liberalism, Community and Culture (1989), Multicultural Citizenship (1995), Contemporaery Political Philosophy : An Introduction (2008) আদিৰ জৰিয়তে বহুসংস্কৃতিবাদৰ বিভিন্ন দিশ আলোচনা কৰে। দৰ্শনৰ এই অধ্যাপকগৰাকীৰ মূল বিষয়বস্তু আছিল সংখ্যালঘুসকলক (Minority Groups) সাংস্কৃতিক, অৰ্থনৈতিক আদি ৰক্ষণাবেক্ষণ। তেওঁৰ মতে, সংখ্যালঘুসকলৰ অধিকাৰৰ ৰক্ষণাবেক্ষণ বহুসংস্কৃতিবাদত বিশ্বাসী সমাজ এখনতহে সম্ভৱ। বহুসংস্কৃতিবাদৰ ব্যাখ্যা আগবঢ়াবলৈ (Will Kymlicka) পাঁচটা আৰ্হিৰ কথা উল্লেখ কৰিছিল। সেইবোৰ হ'ল —

১। **জাতীয় সংখ্যালঘু গোষ্ঠী (National Minority) ঃ** সাম্প্ৰতিক পৃথিৱীত প্ৰায় প্ৰতিখন দেশতেই এটা বৃহৎ জনসংখ্যা সংখ্যালঘুত পৰিণত হোৱা দেখা যায়। বিভিন্ন সামাজিক-ৰাজনৈতিক, সাংস্কৃতিক আদি পৰিৱৰ্তনৰ ফলত এনে সংখ্যালঘু গোষ্ঠীৰ সৃষ্টি হয়। এই সংখ্যালঘুসকলৰ ভিতৰত খিলঞ্জীয়া (Indigeneous) জনগোষ্ঠীও সংখ্যালঘুত পৰিণত হোৱা দেখা যায়। অবাধ প্ৰব্ৰজন, মূলসুঁতিৰ সম্প্ৰদায়ৰ ৰাজনৈতিক-অৰ্থনৈতিক আদি কাৰণত এই খিলঞ্জীয়া গোষ্ঠীয়ে সাংস্কৃতিক, অৰ্থনৈতিক আশংকাত ভোগা দেখা যায়। ভাৰতবৰ্ষতো অথবা উত্তৰ-পূব ভাৰততো এনে খিলঞ্জীয়া সংখ্যালঘু গোষ্ঠী বহু আছে। আনকি ৰাষ্ট্ৰৰ বহু দমনমূলক, শোষণমূলক নীতিও সংখ্যালঘুসকলে মানি ল'বলৈ বাধ্য হয়।

২। **অভিবাসী বা অপ্ৰবাসী গোষ্ঠী (Immigrant Groups) ঃ** উইল্ কিমলিকাই (Will Kymlicka) আগবঢ়োৱা দ্বিতীয় আৰ্হিটো হৈছে অভিবাসী বা অপ্ৰবাসী গোষ্ঠী। প্ৰায় প্ৰতিখন ৰাষ্ট্ৰতেই এই অভিবাসী বা অপ্ৰবাসী গোষ্ঠীত বিদ্যমান। অভিবাসী বা অপ্ৰবাসী হৈছে যিসকলে নিজৰ স্বগৃহ/মূল

জন্মভূমি ত্যাগ কৰি বেলেগ এখন সমাজ তথা ৰাষ্ট্ৰলৈ প্ৰব্ৰজন কৰিছে আৰু নিগাজীকৈ বাস কৰিব লৈছে। আমি আগতেই উল্লেখ কৰিছিলোঁ যে, দ্বিতীয় বিশ্বযুদ্ধ (1939-45) আৰু উপনিৱেশিকতাবাদৰ অৱসানে ইউৰোপত প্ৰব্ৰজনৰ বাট প্ৰশস্ত কৰিছিল। তদুপৰি, উপনিৱেশিক কালতো এছিয়া আৰু আফ্ৰিকাৰ বহু ৰাষ্ট্ৰত বিভিন্ন ৰাজনৈতিক-অৰ্থনৈতিক কাৰণত প্ৰব্ৰজন হৈছিল। ভাৰতবৰ্ষতো এই প্ৰব্ৰজনৰ প্ৰভাৱ পৰিছিল। আনকি ভাৰতৰ পৰাও বহু মানুহ কানাডা, অষ্ট্ৰেলিয়া, আমেৰিকা আদি ৰাষ্ট্ৰলৈ প্ৰব্ৰজন ঘটিছে আৰু সেই দেশসমূহৰ নাগৰিকত্ব লাভ কৰিছে। মন কৰিবলগীয়া যে, এই প্ৰব্ৰজন হোৱা মানুহবোৰ একো একোটা সংখ্যালঘু গোটত পৰ্যবসিত হয় আৰু মূল সুঁতিৰ প্ৰভাৱশালী গোষ্ঠীসমূহৰ পৰা বিভিন্ন ধৰণৰ সামাজিক, সাংস্কৃতিক, অৰ্থনৈতিক আদি প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলগীয়া হয়।

৩। **নৃগোষ্ঠীয় গোট** (Isolationist ethno-religious Groups) ঃ নিসংগ সংখ্যালঘুসকলৰ ভিতৰত নৃগোষ্ঠীয় লোকসকল হৈছে অতিকৈ পিছপৰা গোষ্ঠী। এই গোষ্ঠীটোৱে সদায় নিজকে মূলসুঁতিৰ ৰাজনীতি, অৰ্থনীতি অথবা সামাজিক ক্ষেত্ৰত অংশ গ্ৰহণৰ পৰা নিজকে বিৰত ৰাখে। উদাহৰণস্বৰূপে, Germanyৰ Hutterifes, Anish, Mennonites আদি নৃগোষ্ঠীয় গোষ্ঠীসমূহৰ কথা উল্লেখ কৰিব পাৰি। মন কৰিবলগীয়া যে, সংখ্যালঘু নৃগোষ্ঠীয় গোষ্ঠীসমূহো মূলসুঁতিৰ প্ৰভাৱশালী গোষ্ঠীসমূহৰ পৰা তেওঁলোকৰ সাংস্কৃতিক, ভাষিক পৰিচয় ৰক্ষা কৰিবলৈ নিজকে বিচ্ছিন্ন কৰি ৰাখিবলৈ বিচাৰে।

৪। **মেটিক্স** (Metics) ঃ উইল্ কিমলিকাই (Will Kymlicka) উল্লেখ কৰা আন এটা সংখ্যালঘু গোষ্ঠী হ'ল Metics (মেটিক্স)। এই মেটিক্সসকল হৈছে এখন বিদেশী ৰাষ্ট্ৰত নিৰ্দিষ্ট ম্যাদ উকলি যোৱাৰ পিছতো অবৈধভাৱে বাস কৰা অথবা কোনো ৰাষ্ট্ৰ এখনত প্ৰয়োজনীয় নথি-পত্ৰ বা নিয়মাৱলী নামানি অনুপ্ৰৱেশ কৰা লোকসকল। উদাহৰণস্বৰূপে, আমেৰিকাত প্ৰৱেশ কৰা মেক্সিকানসকল, থাইলেণ্ডত বসবাস কৰা বাৰ্মিজসকল ইত্যাদি। প্ৰাচীন গ্ৰীক ৰাষ্ট্ৰতো মেটিক্স্ (Metics) বাস কৰাৰ উল্লেখ পোৱা যায়। এই মেটিক্স সকলো বিভিন্ন ধৰণৰ বঞ্চনা, লাঞ্ছনা আদিৰ সন্মুখীন হ'ব লগা হয়। অইন দেশৰ পৰা অহা কাৰণেও তেওঁলোকে ৰাজনৈতিক ক্ষমতা উপভোগ কৰিব নোৱাৰে। গতিকে, উইল্ কিমলিকাই (Will Kymlicka) এই সংখ্যালঘুসকলৰ উদাহৰণ উল্লেখ কৰি বহুসংস্কৃতিবাদৰ আদৰ্শৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল।

৫। **আফ্ৰিকান-আমেৰিকানসকল** (African-Americans) ঃ দাসত্ব প্ৰথাৰ কথা আমি প্ৰায় সকলোৱে জানো। আমেৰিকাত উনবিংশ শতিকাৰ শেষলৈকে এই দাসত্ব প্ৰথা চলিছিল আৰু এই প্ৰথাৰ দ্বাৰা বহু নিৰীহ আফ্ৰিকাৰ লোকক আমেৰিকাত লৈ অহা হৈছিল আৰু তেওঁলোকে বহু অকথ্য অত্যাচাৰৰ বলি হ'বলগীয়া হৈছিল। এই দাস প্ৰথাৰ বলি হোৱাসকলক সকলো ধৰণৰ সা-সুবিধাৰ পৰা বঞ্চিত কৰি ৰখা হৈছিল। আনকি তেওঁলোকক মানুহ হিচাপেও গণ্য কৰা হোৱা নাছিল। এই কৃষ্ণাংগ আমেৰিকান (Black American) সংখ্যালঘুসকলক এতিয়া আফ্ৰিকান-আমেৰিকান বুলি জনা যায়। Will kymlickaৰ মতে এনে বঞ্চিত হোৱা সংখ্যালঘুসকলক বহুসংস্কৃতিবাদৰ প্ৰমূল্যৰ যোগেদি বৃহত্তৰ সমাজত সমন্বয় সাধন কৰা সম্ভৱপৰ হয়।

উইল্ কিমলিকা (Will Kymlicka)-ই আগবঢ়োৱা এই পাঁচটা আৰ্হিৰ পৰা দেখা যায় যে সংখ্যালঘুসকল প্ৰায় সকলো ৰাষ্ট্ৰতেই বিভিন্ন ধৰণৰ বৈষম্য, ভেদাভেদ আদিৰ বলি হ'বলগীয়া হয়। এই সংখ্যালঘুসকলক বিভিন্ন ধৰণৰ সা-সুবিধা প্ৰদান কৰা আৰু তেওঁলোকক বৃহত্তৰ সমাজৰ লগত সমন্বয় কৰাটো ৰাষ্ট্ৰৰ বাবে এক প্ৰত্যাহ্বানস্বৰূপ হৈ উঠে।